# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 12-12-2024
**Time :** 1845 Hrs

## ***Assamese Evening Bulletin***
## ***Headlines***

**- - - - - - - - - - - - - -**

ooooo

১। যোৰহাট-জাঁজী ৰাষ্ট্ৰীয় ঘাইপথছোৱা পুনৰ নিৰ্মাণৰ কাম অহা বছৰৰ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হ'ব বুলি লোকসভাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ প্ৰকাশ।

২। ধৰ্মীয় উপাসনা স্থান আইনৰ অধীনত নতুনকৈ কোনো আবেদন আদালতত গ্ৰহণ নকৰিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ।

৩। কেন্দ্ৰীয় চৰকাৰৰ সমগ্ৰ দেশতে দুৰ্ঘটনাগ্ৰস্ত লোকৰ বাবে শীঘ্ৰে নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ।

৪। অসম সাংস্কৃতিক মানচিত্ৰ প্ৰস্তুতকৰণ প্ৰকল্প ৰূপায়ণৰ বাবে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰ বিশ্ববিদ্যালয়কে ধৰি ৰাজ্যৰ মুঠ ১২ খন বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজিৰ চুক্তি।

**আৰু**

৫। সমাগত হকী ইণ্ডিয়া লীগৰ পোনপটীয়া সম্প্ৰচাৰৰ বাবে নতুন দিল্লীত প্ৰচাৰ ভাৰতী আৰু হকী ইণ্ডিয়াৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

oooo

যোৰহাট-জাঁজী ৰাষ্ট্ৰীয় ঘাইপথছোৱা পুনৰ নিৰ্মাণৰ কাম অহা বছৰৰ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হ'ব বুলি আজি লোকসভাত কেন্দ্ৰীয়  কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। লোকসভাৰ প্ৰশ্নোত্তৰ কালত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই পথছোৱা দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ অনুপযোগী হৈ পৰাৰ পৰিপ্ৰেক্ষিতত বিভিন দল-সংগঠনকে ধৰি ব্যক্তি বিশেষে ওজৰ-আপত্তি দাখিল কৰি আহিছিল। জনসাধাৰণৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই মন্ত্ৰীগৰাকীয়ে আজি এই ঘোষণা কৰে-

**বাইট (নীতিন গাডকাৰী)**

শ্ৰীগাডকাৰীয়ে সমগ্ৰ দেশতে দুৰ্ঘটনাগ্ৰস্ত লোকৰ বাবে শীঘ্ৰে নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ হ'ব বুলি উল্লেখ কৰে। তেওঁ কয়, যে ছখন ৰাজ্যত বলৱৎ হৈ থকা এই আঁচনিখন শীঘ্ৰে উত্তৰ প্ৰদেশ আৰু পিছলৈ দেশৰ বাকী অংশতো প্ৰৱৰ্তন কৰা হ'ব। এই আঁচনিৰ জৰিয়তে পথ দুৰ্ঘটনাগ্ৰস্ত লোকসকলে চিকিৎসালয়সমূহত

ডেৰ লাখ টকা পৰ্যন্ত নগদবিহীন চিকিৎসাৰ সুবিধা লাভ  কৰিব পাৰিব। ঘাইথপথসমূহত ক্ৰমাৎ বৃদ্ধি পোৱা দুৰ্ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাতে দুৰ্ঘটনা প্ৰতিৰোধ সমিতি গঠন কৰি এনে পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ কাৰণসমূহ চালি-জাৰি চাবলৈ সদনৰ সদস্যসকলক অনুৰোধ জনায়। তাৎক্ষণিক চিকিৎসা লাভ নকৰা বা চিকিৎসাত পলম হোৱাৰ বাবে ৩০ শতাংশ পথ দুৰ্ঘটনা সংঘটিত লোকৰ মৃত্যু হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে নগদবিহীন চিকিৎসা আঁচনিখনে সম্প্ৰতি ৰূপায়ণ হৈ থকা ছখন ৰাজ্যত ২ হাজাৰ ১০০ গৰাকী লোকৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

উচ্চতম ন্যায়ালয়ে ধৰ্মীয় উপাসনা স্থান আইনৰ অধীনত নতুনকৈ কোনো আবেদন আদালতত গ্ৰহণ নকৰিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না নেতৃত্বাধীন উচ্চতম ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি বৰ্তমান বিচাৰাধীন হৈ থকা কোনো আবেদনৰ ক্ষেত্ৰতো উচ্চতম ন্যায়ালয়ৰ আদেশ অবিহনে অন্য আদালতে কোনো নিৰ্দেশ দিব নোৱাৰিব বুলি স্পষ্ট কৰি দিছে। ন্যায়াধীশ সঞ্জয় কুমাৰ, ন্যায়াধীশ কে ভি বিশ্বনাথন আৰু মুখ্য ন্যায়াধীশ খান্নাক লৈ গঠিত খণ্ড আদালতে ১৯৯১ চনৰ ধৰ্মীয় উপাসনা স্থান আইনৰ বৈধতাৰ প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনকেইখনৰ শুনানি একেলগে লোৱাৰ সন্দৰ্ভত চাৰি সপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিয়ে। আবেদনকাৰীসকলে ১৯৯১ চনৰ এই আইনখনৰ দ্বাৰা দেশত ১৯৪৭ চনৰ ১৫ আগষ্টত থকা কোনো ধৰ্মীয় উপাসনাস্থলীৰ স্থিতি সলনি কৰিব নোৱৰা ব্যৱস্থাটোৰ আইনী বৈধতাৰ প্ৰশ্ন তুলিছিল। এই গোচৰটোত জ্যেষ্ঠ অধিবক্তা ইজাজ মকবুল, কানু আগৰৱাল আৰু বিষ্ণু শংকৰ জৈনক আবেদনকাৰী, কেন্দ্ৰীয় চৰকাৰ আৰু আইনখন সমৰ্থনকাৰীসকলৰ আবেদনসমূহ এক গোট কৰিবলৈ দায়িত্ব দিয়া হৈছিল। বিগত বছৰসমূহত এই আইনখন প্ৰত্যাহাৰৰ বাবে উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি কেইবাখনো আবেদন দাখিল কৰা হৈছিল।

০০০০০

ৰাজ্যৰ একাংশ শিক্ষকে বহিঃৰাজ্যৰ পৰা বি.এড ডিগ্ৰী ক্ৰয় কৰা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দলে নগাঁৱত বাহৰ পাতি আজি তদন্ত আৰম্ভ কৰিছে। জিলাখনৰ একাংশ শিক্ষকে বিহাৰৰ মগধ বিশ্ববিদ্যালয়, হাৰিয়ানাৰ কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয় আদিৰ পৰা ধনৰ বিনিময়ত ডিগ্ৰী ক্ৰয় কৰাৰ অভিযোগ উঠিছিল। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ অপৰাধ অনুসন্ধান শাখাক তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল। এই নিৰ্দেশ অনুসৰি আৰক্ষীয়ে টে'ট উত্তীৰ্ণ শিক্ষকৰ বি.এড ডিগ্ৰী সন্দৰ্ভত শিক্ষা বিভাগৰ পৰা তথ্য বিচাৰিছিল। শিক্ষা বিভাগে দিয়া জাননীমৰ্মে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে দাখিল কৰা তথ্য অনুসৰি জিলাখনৰ ৩ হাজাৰ ৬৯৪ গৰাকী টে'ট উত্তীৰ্ণ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভিতৰত কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ বি.এড ডিগ্ৰীৰ প্ৰমাণপত্ৰ থকা এগৰাকী আৰু অন্য ৰাজ্যৰ পৰা এই ডিগ্ৰী লাভৰ প্ৰমাণপত্ৰ থকা ২১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী আছে। আৰক্ষীয়ে এই বিষয়ত তদন্ত অব্যাহত ৰাখিছে।

০০০০০

কোকৰাঝাৰৰ বড়োফা নগৰত আজিৰে পৰা বি টি চি বিধায়িনী পৰিষদৰ দুদিনীয়া অধিবেশন অনুষ্ঠিত হৈছে। অধিবেশনৰ আজি প্ৰথম দিনা মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিচিৰ চলিত বিত্তীয় বছৰৰ বাকী থকা সময়খিনিৰ বাবে পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৰাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ বাবে ৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰ নিদৰ্শনসমূহৰ পদ্ধতিগতভাৱে সংগ্ৰহ আৰু বিজ্ঞানসন্মত ৰূপত সংৰক্ষণৰ যোগেদি উন্নত প্ৰযুক্তি সম্বলিত মাল্টিমিডিয়া সংৰক্ষণাগাৰ গঢ়ি তোলাৰ উদ্দেশ্যে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে অসমৰ সাংস্কৃতিক মানচিত্ৰ প্ৰস্তুতকৰণ শীৰ্ষক এটা অভিলাষী প্ৰকল্পৰ কাম অব্যাহত ৰাখিছে। এই প্ৰকল্প ৰূপায়ণৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ আৰু আদান-প্ৰদানৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়কে ধৰি ৰাজ্যৰ মুঠ ১২খন বিশ্ববিদ্যালয়ৰ সৈতে আজি এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিভাগীয় মন্ত্ৰী বিমল বৰাই কয় যে অসমত হাজাৰ বছৰ ধৰি বসবাস কৰি অহা বিভিন্ন জাতি-জনজাতিৰ সংস্কৃতি, ৰীতি-নীতি আৰু পৰম্পৰাৰ অন্বেষণ কৰি ইয়াৰ মাজত নিহিত হৈ থকা সম্ভাৱনাক সম্পদলৈ ৰূপান্তৰ কৰাৰ চেষ্টা কৰা হৈছে।

০০০০০

শিৱসাগৰ জিলাৰ নদীকাষৰীয়া অঞ্চলসমূহত বৃহৎ পৰিমাণত উৎপাদিত ৰঙা লাউ আৰু কাজি নেমু আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ প্ৰেৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ অধীনত আজি সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ ডুবাইলৈ এহেজাৰ ৫০০ কিলোগ্ৰাম ৰঙা লাউ আৰু এহেজাৰ কিলোগ্ৰাম কাজি নেমু প্ৰেৰণ কৰা হয়। শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জিলাখনৰ দিখৌমুখ, দিচাংমুখ, নিতাইপুখুৰী আদি অঞ্চলত উৎপাদিত এই সামগ্ৰী কঢ়িওৱা বাহনৰ আজি ফ্লেগ অফ কৰে। শিৱসাগৰ জিলা প্ৰশাসনে কাইগা এক্জিম্স নামৰ গুৱাহাটীৰ এটা প্ৰতিষ্ঠানৰ সহযোগত কৃষকসকলৰ পৰা এই কৃষিজাত সামগ্ৰীসমূহ ক্ৰয় কৰি বিদেশলৈ প্ৰেৰণ কৰিছে। শাক-পাচলিৰ প্ৰথমটো গোট প্ৰেৰণ কৰি মন্ত্ৰী ডাঃ পেগুৱে নদীকাষৰীয়া অঞ্চলসমূহৰ কৃষকসকলৰ অসুবিধাসমূহ দূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় ৰে'লৱেই প্ৰচণ্ড কুঁৱলীৰ ফলত ৰে'লপথৰ দৃশ্যমানতা কমি যোৱাৰ বাবে উত্তৰ ভাৰত আৰু উত্তৰ-পূব ভাৰতলৈ চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ চলাচল বাতিল অথবা সময়ৰ সালসলনি ঘটাইছে। সেই অনুসৰি ডিব্ৰুগড় আৰু চণ্ডীগড়ৰ মাজত চলাচল কৰা চণ্ডীগড় এক্সপ্ৰেছ ৰে'লগাড়ী দুখন অহা ২৮

ফেব্ৰুৱাৰীলৈকে বাতিল কৰা হৈছে। সেইদৰে কামাখ্যা আৰু গয়াৰ মাজত চলাচল কৰা উজনিমুৱা আৰু নামনিমুৱা এক্সপ্ৰেছ ৰে'লগাড়ী দুখন প্ৰতি সোমবাৰ আৰু মঙলবাৰে বাতিল কৰা হৈছে। কামাখ্যা আৰু আনন্দ বিহাৰৰ মাজত চলাচল কৰা দুয়ো দিশৰ এক্সপ্ৰেছ ৰে'লগাড়ী দুখন প্ৰতি বৃহস্পতি আৰু শুকুৰবাৰে ২৮ ফেব্ৰুৱাৰীলৈকে বাতিল কৰা হৈছে।

কামাখ্যা আৰু আনন্দ বিহাৰৰ মাজত চলাচল কৰা নৰ্থ-ইষ্ট এক্সপ্ৰেছ প্ৰতি সপ্তাহৰ শনিবাৰ আৰু বুধবাৰে বাতিল কৰা হৈছে। ডিব্ৰুগড় আৰু লালগড়ৰ মাজত চলাচল কৰা অবোধ আছাম এক্সপ্ৰেছ অহা ২২ ফেব্ৰুৱাৰীলৈকে প্ৰতি শনিবাৰে চলাচল বাতিল কৰা হৈছে। যাত্ৰী আৰু ৰে'ল সম্পত্তিৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি ৰে'ল বিভাগৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজিৰে পৰা ২৬ ডিচেম্বৰলৈ কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান ৰূপায়ণ কৰা হৈছে। গোলাঘাট জিলাত কুষ্ঠৰোগ চিনাক্তকৰণৰ বাবে ৮৭০টা স্বাস্থ্য কৰ্মীৰ গোট নিয়োগ কৰা হৈছে। এই গোটসমূহত এগৰাকী আশাকৰ্মী আৰু এজন পুৰুষ স্বাস্থ্য কৰ্মী থাকিব। গোটৰ সদস্যসকলে জিলাখনৰ প্ৰতি ঘৰে ঘৰে গৈ কুষ্ঠৰোগৰ লক্ষণ চিনাক্ত কৰাৰ লগতে এই ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস চলাব। যিকোনো লোকৰ দেহত কুষ্ঠৰোগৰ লক্ষণ ধৰা পৰিলে তেওঁলোকক যাৱতীয় চিকিৎসাৰ বাবে নিকটতম স্বাস্থ্য কেন্দ্ৰ অথবা জিলা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব। স্বাস্থ্য কৰ্মীৰ গোটসমূহৰ তত্বাৱধানৰ বাবে ১৭৪ গৰাকী পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে গোলাঘাট জিলাত এই বছৰ ৩৫ জন কুষ্ঠৰোগী চিনাক্ত কৰা হৈছিল।

মাজুলী জিলা স্বাস্থ্য বিভাগৰ কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো আজি পটীয়া চুমৈমাৰী আয়ুষ্মান আৰোগ্য মন্দিৰত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ অধ্যক্ষতাত কুষ্ঠৰোগ চিনাক্তকৰণৰ শুভাৰম্ভ কৰা হয়।

শোণিতপুৰ জিলাতো আজিৰে পৰা এই অভিযান ৰূপায়ণ কৰা হৈছে। জিলাখনত বৰ্তমান ৪২ গৰাকী কুষ্ঠ ৰোগীক চিকিৎসা প্ৰদান কৰি থকা হৈছে।

০০০০০

শিৱসাগৰৰ পলাশনিত থকা অসম শক্তি প্ৰতিষ্ঠানৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত আজি প্ৰতিষ্ঠানটোৰ পৰা বিভিন্ন বিষয়ত ডিপ্লমা সম্পূৰ্ণ কৰা ১০৭ গৰাকী শিক্ষাৰ্থীক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। কেমিকেল ইঞ্জিনিয়াৰিং, মেকানিকেল, পেট্ৰ'লিয়ামকে ধৰি অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ ৩ বছৰীয়া ডিপ্লমা সম্পূৰ্ণ এই শিক্ষাৰ্থীসকলক আজি মন্ত্ৰী ডা০ ৰণোজ পেগুৱে প্ৰমাণপত্ৰসমূহ প্ৰদান কৰে। এই সমাৰোহত প্ৰতিষ্ঠানটিৰ পৰা কৃতিত্বৰে শিক্ষা সমাপ্ত কৰা অৰ্ক সৰকাৰক ৰাষ্ট্ৰপতিৰ সোণৰ পদক প্ৰদান কৰা হয়। একেদৰে ইপ্সিতা চেতিয়াই প্ৰতিষ্ঠানটোৰ সঞ্চালকৰ সোণৰ পদক লাভ কৰে। অনুষ্ঠানত অসম প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰ আজি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে আমেঠিৰ ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি প্ৰতিষ্ঠানৰ অসম কেন্দ্ৰ হিচাপে ২০১৭ চনত এই প্ৰতিষ্ঠানটো স্থাপন কৰা হৈছিল।

০০০০০

কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগে অহা ১৬ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ ৰাইজৰ সেৱা ৰাইজৰ পদূলি শীৰ্ষক পযেকজোৰা কাৰ্যসূচী গ্ৰহণ কৰিছে। ৰাজ্যৰ পৰিবহণ বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া আৰু অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ তত্বাৱধানত হ'বলগীয়া এই

কাৰ্যসূচীত জালুকবাৰী, ডিমৰীয়া, নিউ গুৱাহাটী আৰু দিছ্‌পুৰ সম-জিলাৰ অন্তৰ্গত যান-বাহনৰ গৰাকীসকলক অনলাইনযোগে বাহন চালনাৰ অনুজ্ঞা পত্ৰকে ধৰি আন যাৱতীয় নথি-পত্ৰ নৱীকৰণ কৰাৰ সুবিধা দিয়া হ'ব। পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দলে এইকেইখন সম-জিলাৰ কাৰ্যালয়ত উপস্থিত হৈ বাহনৰ গৰাকীৰ বিভিন্ন ওজৰ-আপত্তি নিষ্পত্তি কৰাৰ লগতে নথি-পত্ৰ বিষয়ক সমস্যা থাকিলে তাৎক্ষণিকভাৱে সমাধানৰ চেষ্টা চলাব। এই সময়ছোৱাত ব্যক্তিগত বাহনৰ উপৰিও বিভিন্ন শ্ৰেণীৰ বাণিজ্যিক বাহনৰ লগতে উদ্যোগ, প্ৰতিষ্ঠান, নিৰ্মাণকাৰী সংস্থা আদিয়েও বাহনৰ নথি-পত্ৰ বিষয়ক সমস্যাৰ কথা অৱগত কৰিলে পৰিবহণ বিভাগৰ সহায়কাৰী বিষয়াৰ দলে সমাধানৰ ব্যৱস্থা কৰিব বুলি বিভাগে জনাইছে।

০০০০০

প্ৰচাৰ ভাৰতীয়ে সমাগত হকী ইণ্ডিয়া লীগৰ পোনপটীয়া সম্প্ৰচাৰৰ বাবে আজি নতুন দিল্লীত হকী ইণ্ডিয়াৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজি চুক্তিৰ জৰিয়তে দূৰদৰ্শনে হকী ইণ্ডিয়া লীগ ২০২৪-২৫ৰ আনুষ্ঠানিক সম্প্ৰচাৰ সহযোগী হিচাপে কাম কৰিব। অহা ২৮ ডিচেম্বৰৰ পৰা ৰুৰকেলা, ওড়িশা আৰু ৰাঁচীত হকী ইণ্ডিয়া লীগ অনুষ্ঠিত হ'ব। অনুষ্ঠানত হকী ইণ্ডিয়া লীগ সমিতিৰ সদস্য ভোলানাথ সিঙে কয় যে ভাৰতৰ বাবে হকী কেৱল এবিধ খেলেই নহয়, বৰং ই হৈছে দেশৰ ঐক্য আৰু গৌৰৱৰ চিন। দূৰদৰ্শনৰ সৈতে এই অংশীদাৰিত্বই হকীৰ সৈতে জনসাধাৰণৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি শ্ৰীসিঙে আশা প্ৰকাশ কৰে। আনহাতে প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনিত চেহগালে এই বুজাবুজিৰ চুক্তিক হকীৰ ইতিহাসত এটা উল্লেখনীয় মাইলৰ খুঁটি বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে ৰাষ্ট্ৰীয় ক্ৰীড়া হকী গ্ৰামাঞ্চলকে ধৰি সমগ্ৰ দেশতে অধিক জনপ্ৰিয় হৈ পৰিব। এই অনুষ্ঠানত আকাশবাণী বাতৰি বিভাগৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়, দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদ,দূৰদৰ্শনৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান প্ৰিয়া কুমাৰকে ধৰি প্ৰচাৰ ভাৰতী আৰু হকী ইণ্ডিয়াৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত